بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হুনাইনৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ) ৰ জীৱনী তথা জাৰ্মানৰ বাৰ্ষিক জলছাত অংশগ্ৰহণকাৰী সকলক উপদেশ আৰু পৃথিৱীৰ পৰিস্থিতিৰ দৃষ্টিকোণত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ আগষ্ট ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে,হুনাইনৰ যুদ্ধৰ বিষয়ে আজি বিস্তৃতভাৱে বৰ্ণনা কৰিম।

আঁহজৰত (ছাঃ)য়ে মক্কাৰ পৰা ৰাওনা হোৱা সময়ত হজৰত আতাব বিন উছেয়দ (ৰাঃ)ক আমিৰ নিযুক্ত কৰিছিল, তেওঁক মক্কাৰ প্ৰথম আমিৰ নিযুক্ত কৰা হৈছিল; সেই সময়ত হজৰত আতাব (ৰাঃ)ৰ বয়স আছিল প্ৰায় ২০ বছৰ লগতে হজৰত মাআজ বিন জাবল (ৰাঃ)ক মক্কাবাসীৰ ধাৰ্মিক শিক্ষা শিকোৱাৰ দায়িত্ব দিয়া হৈছিল। হজৰত আতাব (ৰাঃ) আৰু তেওঁৰ পিতৃ কুৰাইছ বংশৰ মুখিয়াল আছিল আৰু ইছলামৰ কঠোৰ বিৰোধী আছিল। ইছলামৰ প্ৰতি তেখেত (ৰাঃ)ৰ শত্ৰুতা ইমানেই তীব্ৰ আছিল যে মক্কা বিজয়ৰ সময়ত যেতিয়া হজৰত বিলাল (ৰাঃ)য়ে আজান দিছিল তেতিয়া তেখেতে নিজৰ লগৰীয়াক কৈছিল যে খোদাৰ ধন্যবাদ যে আজান শুনাৰ আগতেই মোৰ দেউতা পৃথিৱী ত্যাগ কৰি গৈছে। মক্কা ফাতাহৰ পিছত আতাব (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰিছিল। আঁহজৰত (ছাঃ)য়ে তেওঁক মক্কাৰ আমিৰ নিযুক্ত কৰি কৈছিল যে হে আতাব ! মই তোমাক আল্লাহৰ বান্দা সকলৰ অৰ্থাৎ আল্লাহৰ ঘৰৰ লোসকলৰ বাবে আমিৰ নিযুক্ত কৰিলো, তেওঁলোকৰ সৈতে বিনম্ৰমূলক আচৰণ কৰিবা। হজৰত আতাব (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ মৃত্যুলৈকে মক্কাৰ আমিৰ হিচাপে নিযুক্ত হৈ থাকিল; এটা বৰ্ণনা অনুযায়ী তেখেত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ যুগতো আমিৰ হিচাপে নিযুক্ত আছিল।

আঁহজৰত (ছাঃ)য়ে হুনাইনৰ যুদ্ধৰ বাবে শ্বৱাল মাহৰ ৬ তাৰিখত সপ্তাহৰ দিনা ৰাওনা হৈছিল, শ্বৱাল মাহৰ ১০ তাৰিখত হুনাইনত গৈ উপস্থিত হৈছিল। তেখেত (ছাঃ)ৰ পত্নী হজৰত উম্মে ছালমা (ৰাঃ) আৰু হজৰত জয়নব (ৰাঃ) এই যাত্ৰাত তেখেতৰ লগতে আছিল। হুনাইনৰ যুদ্ধত সেনা বাহিনী আৰু অস্ত্ৰ-শস্ত্ৰৰ ক্ষেত্ৰত আৰু মুছলমান সকলৰ সংখ্যাৰ ক্ষেত্ৰতো বিৰোধী সকলৰ তুলনাত কম আছিল। কিন্তু আগতে হৈ যোৱা যুদ্ধৰ তুলনাত এই যুদ্ধত সংখ্যাৰ পৰিমাণ বেছি আছিল। মগাজীৰ ইমামসকলে লিখিছে যে তেখেত (ছাঃ)য়ে ১২ হাজাৰ সেনা বাহিনীৰ সৈতে ৰাওনা হৈছিল। তাৰ মাজত ১০ হাজাৰ সেইসকল লোক যিসকলে মক্কা বিজয়ৰ বাবে মদিনাৰ পৰা আহিছিল, মক্কাবাসীৰ মাজৰ দুই হাজাৰ লোক তেখেত (ছাঃ)ৰ সৈতে এই যুদ্ধৰ বাবে ৰাওনা হৈছিল।

হজৰত ছুহেল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেওঁ ৰছুলুল্লাহ (ছাঃ)ৰ লগতে হুনাইনৰ যুদ্ধৰ বাবে যাত্ৰা কৰি আছিল। তেওঁলোকে দীৰ্ঘ যাত্ৰা কৰিছিল ইমানে যে গধূলি হৈ গৈছিল। মই আঁহজৰত (ছাঃ)ৰ লগতে নামাজত অংশগ্ৰহণ কৰিছিলোঁ, ইমানতেই এজন আৰোহী আহি কলে যে হে আল্লাহৰ ৰছুল (ছাঃ) ! মই আপোনালোকৰ আগে আগে গৈ দেখা পাইছো যে হাৱাজনৰ লোকসকলে নিজৰ মহিলা আৰু জন্তুবোৰক নিজৰ লগতে লৈ একত্ৰিত হৈছে। তেখেত (ছাঃ)য়ে এই কথা শুনি হাঁহি কলে যে অহাকালি ইনশ্বা আল্লাহ এইবোৰ মুছলমান সকলৰ যুদ্ধলব্ধ সামগ্ৰী হ'ব। ইয়াৰ পিছত কলে যে আজি ৰাতি কোনে আমাৰ পহৰা দিব ? হজৰত আনছ বিন আবি মুৰছিল (ৰাঃ)য়ে কলে যে মই পহৰা দিম। আঁহজৰত (ছাঃ)য়ে তেওঁক কৈছিল যে সেই উপত্যকালৈ যোৱা, এনেকুৱা যেন নহয় যে আমি তোমাৰ কাৰণে প্ৰতাৰণাত পৰো। অৰ্থাৎ সজাগ আৰু সাৱধান হৈ পহৰা দিবা। ৰাতিপুৱা তেখেত (ছাঃ)য়ে নামাজৰ বাবে ওলাল, নামাজৰ পিছত তেখেত (ছাঃ)য়ে কলে যে তোমাৰ আৰোহী আহি গ'ল তোমাক অভিনন্দন। ইয়াৰ পিছত হজৰত আনছ বিন আবি মুৰছলক কলে যে তোমাৰ বাবে বেহেস্ত নিশ্চিত হ'ল।

মালিক বিন আউফে মুছলমানৰ সেনাবাহিনীলৈ তিনিজন গুপ্তচৰ পঠিয়াইছিল যদিও তিনিওজন উভতি অহাৰ সময়ত অচেতন হৈ পৰিছিল। তেওঁলোকে কলে যে আমি ঘোঁৰাৰ ওপৰত বগা মানুহক দেখিছো, যুদ্ধ হলে আমি এই মানুহবোৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰিম। যদি আমি পৃথিৱীৰ মানুহক নিয়ন্ত্ৰণ কৰিব নোৱাৰো তেন্তে আমি আকাশৰ মানুহৰ লগত কেনেকৈ যুঁজিম ? আমাৰ কথা শুনিলে উভতি যাওক। মালিক বিন আউফে তেওঁক বেয়াকৈ কৈ এজন বীৰ মানুহক পঠিয়ালে। তেওঁ সোনকালে ঘূৰি আহিছিল আৰু তেওঁ জনপ্ৰিয় আছিল। তেওঁ কলে যে আমি উভতি যোৱাটোৱে ভাল হ'ব; কিন্তু মালিক বিন আউফে এই কথা মনি নললে।

হজৰত ছালমা বিন আকৱা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আমি ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে হাৱাজনৰ ওপৰত আক্ৰমণ চলাইছিলো ইমানতে এজন মানুহ আহি বহি লোকসকলৰ সৈতে কথা-বতৰা পাতিব ধৰিছিল, ইয়াৰ পিছত তেওঁ ততাতৈয়াকৈ উটৰ ওপৰত আৰোহণ কৰি পলায়ন কৰিব ধৰিলে, আঁহজৰত (ছাঃ)য়ে তেওঁক দেখা পাই কৈছিল যে এইজন গুপ্তচৰ হয়, তেওঁক ধৰি হত্যা কৰা, অৰ্থাৎ তেওঁক ধৰি হত্যা কৰা হৈছিল।

হুনাইন উপত্যকা একাধিক উপত্যকাৰে গঠিত এখন গাঁৱ। মালিক বিন আউফে নিজৰ সেনা বাহিনীক সেই উপত্যকাত আক্ৰমণ কৰাৰ বাবে বহাই দিছিল যাতে আঁহজৰত (ছাঃ) আৰু তেখেতৰ চাহাবা সকলকৰ ওপৰত ধাৰাবাহিকভাৱে আক্ৰমণ কৰিব পাৰে। কাফিৰসকলৰ শাৰী এনেকুৱা আছিল যে সকলোতকৈ

আগতে অশ্বাৰোহী আছিল, তাৰ পিছফালে খোজকাঢ়ি থকা সেনা, তাৰ পিছত উটৰ ওপৰত মহিলাসকল আৰু শিশু, তাৰ পিছত সা-সামগ্ৰী আৰু জন্তুবোৰ আছিল।

আঁহজৰত (ছাঃ)য়ে বনু ছলিমৰ এহেজাৰ অশ্বাৰোহী লগতে সেনা আগতে ৰাখি তাৰ নেতৃত্ব খালিদ বিন অলিদ (ৰাঃ)ৰ অধীন কৰিছিল। ৰছুলুল্লাহ (ছাঃ) সেনা বাহিনীৰ মাজতেই আছিল। তেখেত (ছাঃ)য়ে আনছাৰ আৰু মুহাজিৰ সকলৰ মাজত পতাকা বিতৰণ কৰিছিল। মুহাজিৰৰ এটা পতাকা হজৰত আলী (ৰাঃ)ৰ অধীন কৰিছিল আৰু এটা পতাকা হজৰত ছাআদ বিন আবি অকাছ (ৰাঃ)ৰ অধীন কৰিছিল। এটা পতাকা হজৰত উমৰ (ৰাঃ)ৰ অধীন কৰিছিল। বনু খাজৰজৰ পতাকা হজৰত হাবাব মনজৰ (ৰাঃ)ৰ আৰু আউছৰ পতাকা উছেয়দ বিন হজিৰৰ অধীন কৰিছিল। হুনাইনৰ যুদ্ধত প্ৰথমে মুছলমান সকলে জয় লাভ কৰিছিল, কিন্তু কাফিৰসকলৰ আকস্মিক আক্ৰমণৰ ফলত মুছলমানৰ মাজত হুলস্থুলৰ পৰিৱেশ সৃষ্টি হৈছিল, যাৰ ফলত মুছলমানসকলে সাময়িকভাৱে পৰাজয়ৰ সন্মুখীন হৈছিল। তাৰ পিছত মুছলমানসকলে মহান বিজয় লাভ কৰে। ছহীহ বুখাৰীৰ বৰ্ণনা অনুযায়ী হজৰত বাৰা বিন আজিফ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আমি বনু হাৱাজনৰ ওপৰত আক্ৰমণ চলাইছিলোঁ তেওঁলোক পৰাস্ত হৈ পিছুৱাই গৈছিল, আমি যুদ্ধলব্দ একত্ৰিত কৰি আছিলো, তাৰ পিছত তেওঁলোকে আমাৰ ওপৰত কাঁড় নিক্ষেপ কৰা আৰম্ভ কৰিছিল; যাৰ ফলত সেই যুৱকসকল যিসকলৰ ওচৰত ইয়াৰ পৰা ৰক্ষা পোৱাৰ কোনো সা-সামগ্ৰী নাছিল তেতিয়া পিছহুহুঁকি গৈছিল। কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে যুদ্ধ ময়দানত দৃঢ়ভাৱে অটল হৈ বগা খচ্চৰৰ ওপৰত আৰোহণ আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ৰ সকলোবোৰ যুদ্ধৰ মাজৰ আটাইতকৈ উল্লেখযোগ্য বিষয় এইটো যে এই যুদ্ধৰ পৰিস্থিতি যিমানেই ভয়ংকৰ হ'ল তেখেত (ছাঃ)ৰ নিচিনা সাহসী আৰু বীৰত্বৰ দৃষ্টান্ত পোৱা নাযায়। যেতিয়া ডাঙৰ ডাঙৰ বীৰসকলৰো ভৰি পিছলি যায়, এনে পৰিস্থিতি তেখেত (ছাঃ)য়ে শিলৰ দৰে অটল হৈ আছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হুনাইনৰ যুদ্ধৰ দিনা কাঁড়ৰ দ্বাৰা আঘাতপ্ৰাপ্ত হৈ উভতি অহা ঘটনাৰ কথা উল্লেখ কৰি কৈছে যে হুনাইনৰ যুদ্ধত যেতিয়া মুছলমান সকলৰ সেনা পিছুৱাই গৈছিল , কাৰণ শত্ৰুসকলৰ তীৰৰ দ্বাৰা আক্ৰমণ তীব্ৰ হৈ পৰিছিল। তেখেত (ছাঃ)য়ে অলপ কেইজন চাহাবাক লৈ শত্ৰুৰফালে আগবাঢ়িছিল, হজৰত আবু বক্কৰ (ৰাঃ)য়ে দেখা পাইছিল যে শত্ৰুসকলৰ আক্ৰমণ তীব্ৰ হৈ উঠিছে তেতিয়া আবু বক্কৰ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ ঘোঁৰাৰ লাগাম ধৰি আগবাঢ়ি নোযোৱাৰ চেষ্টা কৰে; কিন্তু তেখেত (ছাঃ)য়ে কৈছিল যে মোৰ ঘোঁৰাৰ লাগাম এৰি দিয়া। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে এই কবিতা পঢ়ি আগবাঢ়িল

**আনান নাবিয়ু লা কাজিবা, আনা ইবনে আব্দুল মুত্তালিব**

অৰ্থাৎ মই খোদাৰ নবী হওঁ মই মিছলীয়া নহও আৰু মই আব্দুল মুত্তালিবৰ ল'ৰা হওঁ। তেখেত আব্দুল মুত্তালিবৰ ল'ৰা এই কথাষাৰ কোৱাৰ উদ্দেশ্য আছিল যে সেই সময়ত শত্ৰুসকলৰ আক্ৰমণ ইমানেই তীব্ৰ আছিল যে শত্ৰুসকলৰ ফালৰ পৰা চাৰি হাজাৰ কাঁড় নিক্ষেপকাৰী সকলে কাঁড় নিক্ষেপ কৰি আছিল। এনে অৱস্থাত মই আগবাঢ়ি যোৱাটো মানৱতাৰ মৰ্যাদাতকৈ উচ্চ মৰ্যদা বুলি ভাবিছিলো। এই কথাত কোনেও প্ৰতাৰিত হৈ মোৰ কোনো ঐশ্বৰিক শক্তি আছে বুলি ভৰা উচিত নহয়; মই আব্দুল মুত্তালিবৰ ল'ৰা হওঁ আৰু এজন মানৱ হওঁ, মই নবী হোৱাৰ কাৰণে আল্লাহ তা'লাৰ সহায় মোৰ লগতে আছে।

যেতিয়া মুছলমান সকলৰ সেনা ছেদেলি-ভেদেলি হৈ গৈছিল তেতিয়া তেখেত (ছাঃ)ৰ লগতে অলপ

কেইজন সেনা ৰৈ গৈছিল যাৰ সংখ্যা ৩০০ ৰ পৰা ৪০০ বুলি বৰ্ণনা কৰা হয়। বৰ্ণনাত উল্লেখ পোৱা যায় যে হুনাইনৰ যুদ্ধৰ দিনা সকলোৱে পলায়ন কৰা নাছিল বৰঞ্চ মক্কাৰ মুৱালফিতুল কুলুব লোকসকল যিসকল কপটাচাৰী আছিল, মক্কাৰ আন আন যিসকল লোকে তেওঁলোকৰ সৈতে যুদ্ধত অংশগ্ৰহণ কৰিছিল এতিয়ালৈকে মুছলমান হোৱা নাছিল তেওঁলোকে পলায়ন কৰা আৰম্ভ কৰিছিল; এই আকস্মিক পৰাজয় এই কাৰণেই হৈছিল যে শত্ৰুসকলে ধাৰাসাৰ কাঁড় নিক্ষেপ কৰি আছিল, ইয়াৰ বিস্তাৰিত বিৱৰণ ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে জাৰ্মানৰ বাৰ্ষিক জলছা উপলক্ষে উপদেশ দিয়ে যে আল্লাহ তা'লা তেওঁলোকক জলছাৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰাৰ সৌভাগ্য দান কৰক, নিজৰ জ্ঞান, কৰ্ম আৰু আধ্যাত্মিক উন্নতি লাভ কৰাৰ অংগীকাৰ কৰিব, ইয়াৰ বাবে চেষ্টা কৰিব, বিশেষকৈ খোদাৰ স্মৰণ আৰু দোৱাত মগ্ন থাকি সময় পাৰ কৰিব। নিজৰ বাবে তথা নিজৰ পৰিয়ালবৰ্গৰ বাবেও দোৱা কৰিব, জামাতৰ উন্নতিৰ বাবে দোৱা কৰিব, জামাতক শত্ৰুসকলৰ সকলো ধৰণৰ বেয়াৰ পৰা সুৰক্ষিত ৰাখিবলৈ আৰু শত্ৰুসকলৰ কু-অভিপ্ৰায়ৰ অন্ত হৈ যোৱাৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকৰ কু-অভিপ্ৰায়ৰ পৰা নিৰাপদে ৰাখক।

পুনৰায় দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কৈছে , পাকিস্তানত দৈন্দিন কোনো নহয় কোনো বেদনাদায়ক ঘটনা সংঘটিত হৈয়ে থাকে। আল্লাহ অতি সোনকালে শত্ৰুসকলক গ্ৰেপ্তাৰৰ কোনো উপায় উলিয়াওক। সাধাৰণতে পৃথিৱীৰ শান্তিৰ বাবে দোৱা কৰিব। জগতবাসীয়ে নিজৰ কৰ্মৰ বাবে নিজৰ ধ্বংসৰ ওচৰ চাপি আছে। আল্লাহ আমাক এই ভয়ানক ধ্বংসৰ পৰা নিৰাপদে ৰাখক। মধ্যপ্ৰাচ্যৰ বাবেও দোৱা কৰিব; ইহুদী চৰকাৰৰ অত্যাচাৰ আৰু বৰ্বৰতা চৰম পৰ্যায়লৈ গৈ পাইছে। এনেকুৱা লাগে তেওঁলোকক নিষ্পত্তি কৰিব বিচাৰে। নিপীড়িত, শিশু, নাৰী, বৃদ্ধ, ৰোগী আৰু নিৰীহৰ ওপৰত চলি থকা নিষ্ঠুৰতাই সীমা অতিক্ৰম কৰি গৈছে, সকলো ঠাইতে সাধাৰণ হত্যাকাণ্ড হৈ আছে। এতিয়া একাংশ ৰাজনীতিবিদ আৰু চৰকাৰেও মাত মাতিবলৈ আৰম্ভ কৰিছে যে এইটো ভুল, বন্ধ কৰক; তথাপি অত্যাচাৰী চৰকাৰে তেওঁলোকৰ কথা শুনিবলৈ সাজু নহয়। সম্পত্তি আৰু ক্ষমতাৰ লোভত আমেৰিকা আৰু ইয়াৰ মিত্ৰ দেশসমূহে তেওঁলোকক অহংকাৰ আৰু নিষ্ঠুৰতাৰ চৰম পৰ্যায়লৈ লৈ গৈছে। মুছলমান দেশবোৰৰ চৰকাৰে একোৱে কৰা নাই, যদি একোৱে কৰিব নোৱাৰে তেন্তে কমপক্ষে নিজৰ অৱস্থাক পৰিৱৰ্তন কৰি আল্লাহ তা'লাৰ ফালে নত হোৱা উচিত যাতে আল্লাহ তা'লাই সহায় কৰে। সম্ভৱত তেওঁলোকৰ বিবেক বুদ্ধি থাকিলেহেঁতেন। এইদৰে মুছলমান সকলেও মুছলমানৰ ওপৰত অত্যাচাৰ চলাই আছে। আল্লাহ তা'লা তেওঁলোকক এই অত্যাচাৰৰ পৰা ৰক্ষা কৰক। আজি আমি আহমদীসকলৰ কৰ্তব্য যে য'তেই পাৰো এই সকলো অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিব লাগে। বিশেষকৈ দোৱা কৰিব, আন্তৰিকতাৰ সৈতে দোৱা কৰিব। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**